**দিনাংক -১৬ ফেব্ৰুৱাৰী ২০১৪**

**সংসদীয় কাৰ্য্যত বাধা প্ৰদান কৰাৰ বাবে কংগ্ৰেছ দায়ী নে ?**

**অৰুণ কুমাৰ জৈন**

**ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা**

সংসদীয় অধিবেশনৰ অন্তিম সপ্তাহলৈ অহাৰ পাছত এটাই প্ৰশ্ন উত্থাপন হৈছে যে বিভিন্ন বিধেয়ক গৃহীত নোহোৱাৰ বাবে কোন দায়ী ? কংগ্ৰেছৰ উপ-সভাপতি ৰাহুল গান্ধীয়ে যোৱাকালি নিজৰ ভাষণত কৈছে যে বিজেপি য়ে সংসদত দুৰ্নীতি ৰোধ কৰা বিধায়ক গৃহীত কৰিব বিচৰা নাই ।

সত্যতা এইয়াই যে কংগ্ৰেছৰ চৰকাৰে ইউ পি এ ৰ ১০ বছৰীয়া কালৰ শেষৰ সময়ত কিছুমান বিধেয়ক অনাৰ কল্পনা কৰি আছে । এতিয়ালৈকে কংগ্ৰেছ দ'লে দুই সদনতে বহুমত হেৰুৱাইছে । এনে বহুতো বিধেয়ক আৰু বিভিন্ন আইন যেনে, ৰাস্তাৰ দোকানীৰ সুৰক্ষা দিয়াৰ আইন অথবা বুন্দেলখণ্ডত কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ স্থাপনৰ আইন আদি বিতৰ্কৰ বিষয়বস্তু নহয় । এনে বিধেয়ক অলপ আলোচনাৰ পাছতে গ্ৰহণ কৰিব পৰা যায় । শাৰীৰিকভাৱে অক্ষম লোকৰ বিভিন্ন গোটে তেওঁলোকৰ লগত জড়িত বিধেয়ক সোনকালে প্ৰস্তাৱিত কৰোৱাৰ দাবী জনাইছে । বিধেয়ক গৃহীত নোহোৱাৰ বাবে ৰাহুল গান্ধীয়ে যি দ্বৰে বিজেপিক দোষী কৰিছে, একেদৰে অন্য বিধেয়কৰ লগত জড়িত লোকে ঠিক একেই মন্তব্য দাঙি ধৰিছে ।

এই সন্দৰ্ভত প্ৰত্যক্ষ তথ্য উল্লেখ কৰিব লাগিব । বহুতো বিধেয়কত বিজেপি ৰ আৰক্ষন নাই । অথচ আমি সমৰ্থন দিব বিচাৰিছো । বিজেপি ৰ কোনো এজন সদদ্যইও সংসদৰ কাৰ্য্যৱাহীক বাধা দিয়া নাই । কোনো সদস্যই হুলস্থুলিয়া পৰিবেশৰ সৃষ্টি কৰা নাই । প্ৰত্যেকদিনাই সংসদত আমি একগোট হৈ কাৰ্য্য কৰো । সংসদৰ কাৰ্য্যৱাহী অন্ধ্ৰপ্ৰদেশৰ বিভাজনৰ বিষয়টোক লৈ হৈ আছে । সদনৰ সভাপতি আৰু স্পীকাৰ মহাশয়ে এনে হুলস্থুলীয়া পৰিবেশৰ কাৰণে সদন বাৰে বাৰে ভংগ কৰা হৈ আছে । কংগ্ৰেছ দ'লৰ বহুতো সদস্যয়ে প্ৰত্যেক দিনাই সদনৰ কাৰ্য্যৱাহীত ব্যাঘাত জন্মায় । মই নাভাৱো যে ৰাহুল গান্ধীৰ সংসদত আহিব'লৈ সময় আছে অথবা নিজৰ সদস্যই সৃষ্টি কৰা হুলস্থুলীয়া পৰিবেশৰ বিষয়ে জনাৰ সময় আছে । বহুতো কেলেংকাৰী যেনে - ২জি স্পেকট্ৰাম আৱণ্টন, কমনৱেলথ গেমছ কেলেংকাৰী আদিতেই এবাৰো মাত নমতা ৰাহুল গান্ধীয়ে মানি লৈছে যে ভাৰতৰ ৰাজনীতিত দূৰ্ণীতি আৰু কেলেংকাৰী গুৰুত্বপূৰ্ণ বিষয় । এই সকলোবোৰৰ ওপৰত কিবা কোৱাৰ বিপৰীতে তেওঁ বিভিন্ন বিধেয়ক গৃহীত কৰাৰ বাবে নিজৰেই সু-নাম গাই থাকে । ৰাহুল গান্ধীয়ে নিজেই আত্মমন্থন কৰিলেহে তেওঁ বিধেয়কসমূহ ৰৈ থকাৰ উত্তৰ গম পাব । কংগ্ৰেছৰ সদস্যই বাৰে বাৰে সংসদত ব্যাঘাত জন্মায় । বিধেয়কসমূহ স্থগিত কৰি ৰখা হৈছে কাৰণ চৰকাৰে সংসদীয় কাৰ্য্যৱাহী অনুশাসনৰ মতে চলাব পৰা নাই । যি সময়ত ৰাহুল গান্ধীয়ে সত্যৰ উপলব্ধি কৰিব আৰু তেওঁৰ দ'লে শুদ্ধ পদক্ষেপ ল'ব, সেই সময়ত কিন্তু বি জে পি ৰ এনে বিধেয়ক সমৰ্থন কৰাত অসুবিধা নহ'ব ।